জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নংঃ ৫১/২০২১**

কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ বাবে আয়ুষ্মান ভাৰত আঁচনিৰ শুভাৰম্ভ কৰিলে অমিত শ্বাহে

# কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ সমস্যাসমূহ সমাধানৰ বাবে কাম কৰি আহিছে ঃ অমিত শ্বাহ

## এই আঁচনিৰ শুভ উদ্বোধনক ঐতিহাসিক বুলি আখ্যা দিলে মুখ্যমন্ত্ৰী সোণোৱালে

**দিছপুৰ, ২৩ জানুৱাৰী ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ লোকসকলৰ বাবে আয়ুষ্মান ভাৰত আঁচনিখন শুভাৰম্ভ কৰে। উল্লেখ্য যে দেশৰ সকলোবোৰ সশস্ত্ৰ আৰক্ষী বাহিনীৰ জোৱানক এই কেন্দ্ৰীয় স্বাস্থ্য বীমা কাৰ্যসূচীৰ জৰিয়তে সামৰি লোৱা হ'ব। অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ জোৱানসকলক আয়ুষ্মান স্বাস্থ্য কাৰ্ড প্ৰদান কৰে। এই আঁচনিখনৰ জৰিয়তে চি আৰ পি এফ, বি এছ এফ, আই টি বি পি, এছ এছ বি, চি আই এছ এফ, এন এছ জি আৰু অসম ৰাইফলছ্‌ক সামৰি লোৱা হৈছে। কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, অসম ৰাইফলছ্‌, এন এছ জি জোৱান আৰু তেওঁলোকৰ পৰিয়ালসমূহক 'আয়ুষ্মান ভাৰতঃ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা'ৰ জৰিয়তে সামৰি লোৱা হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰাধিকৰণ আৰু গৃহ মন্ত্ৰালয়ৰ মাজত এই সন্দৰ্ভত এখন বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত হয়। গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী নমাইলস্থিত চি আৰ পি এফৰ গ্ৰুপ চেণ্টাৰত হোৱা এই বুজা-বুজিৰ চুক্তিৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ লগতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী নিতানন্দ ৰায়, স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থাকে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছতে তেওঁ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী জোৱানসকলৰ সৈতে মত বিনিময় কৰিছিল আৰু এই মতবিনিময়ৰ সময়ত তেওঁ উপলব্ধি কৰিছিল যে এই জোৱান আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ চিকিৎসাৰ বাবে এখন আঁচনিৰ প্ৰয়োজন। তেওঁ লগতে কয় যে চাকৰিৰ স্বাৰ্থত পৰিয়ালৰ পৰা বহুদিন ধৰি নিলগত থকাৰ বাবে স্বাস্থ্য সেৱাৰ লগতে প্ৰয়োজনীয় গৃহৰ অসুবিধাৰ বিষয়টোও তেওঁৰ দৃষ্টি আকৰ্ষণ হয়। পৰাক্ৰম দিৱস উপলক্ষে নেতাজী সুভাষ চন্দ্ৰ বসুৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে আজিৰ শুভ মূহুৰ্তত পৰাক্ৰম দিৱস উদযাপনৰ সময়ত আয়ুষ্মান ভাৰত আঁচনিৰ শুভাৰম্ভ কৰিবলৈ পাই তেওঁ অতিশয় আনন্দিত হৈছে।

তেওঁ কয় যে এই আঁচনিৰ জৰিয়তে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী জোৱান আৰু তেওঁলোকৰ পৰিয়ালসকলে গুণগত স্বাস্থ্য চিকিৎসাৰ সুবিধা লাভ কৰিব। তেওঁ লগতে কয় যে সমগ্ৰ দেশৰে ২৪ হাজাৰ খন চিকিৎসালয়ত নগদবিহীন চিকিৎসাৰ সুবিধা লাভ কৰিব। ইয়াৰ ফলত তেওঁলোকৰ পৰিয়ালৰ

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

সদস্য সকলে বিনামূলীয়া চিকিৎসা লাভ কৰিছে। এনে ব্যৱস্থাৰ ফলত সশস্ত্ৰ বাহিনীৰ জোৱান সকলে কৰ্তব্য সমাপন কৰাৰ সময়ত কোনো ধৰণৰ চাপত থাকিব ল'গীয়া নহ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে জনাই যে এই আঁচনিখন অহা ১ মে'ৰ ভিতৰত সকলো জোৱানকে সামৰি লোৱা হ'ব। এই জোৱানসকলে গৃহৰ সুবিধা লাভ কৰাৰ বাবেও চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীত খালী হৈ থকা পদসমূহ পূৰণ কৰাৰ বাবে এটা পদ্ধতি অৱলম্বন কৰি থকা হৈছে বুলিও কয়। এই পদসমূহ পূৰণৰ উদ্দেশ্য হৈছে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী জোৱানসকলে তেওঁলোকৰ পৰিয়ালৰ সৈতে বছৰি কমেও ১০০ দিন কটাব পাৰে। তেওঁ লগতে জনাই যে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ জোৱানসকলৰ কামত সন্তুষ্টিৰ হাৰ দুবছৰ পূৰ্বৰ ৩৬ শতাংশ পৰা ২০২২ চনলৈ ৫৫ শতাংশতকৈও অধিক বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। কৰ'না ভাইৰাছৰ সময়ত উৎসৰ্গিত আৰু নিঃস্বাৰ্থ মনোভাৱেৰে সেৱা আগবঢ়োৱাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী জোৱানসকলক ধন্যবাদ জনায়। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ক'ভিড-১৯ বিৰুদ্ধে ভাৰতবাসীয়ে সফলতাৰে যুঁজ দিবলৈ সক্ষম হৈছে। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ লগতে জনসাধাৰণৰ সহযোগিতাৰ বাবে এয়া সম্ভৱ হৈছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়। তেওঁ কয় যে ক'ভিড-১৯ ৰ বিৰুদ্ধে সফলতাৰে যুঁজ দিয়া দেশসমূহৰ ভিতৰতে ভাৰতো অন্যতম এখন দেশ বুলি কয়। কেন্দ্ৰীয় গৃহন্ত্ৰীয়ে ক'ভিড ছিটাকৰণ বিষয়টোক ৰাজনীতি নকৰিবলৈ বিৰোধী দলসমূহক আহ্বান জনায়। ভাষণ প্ৰসংগত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন জনকল্যাণকামী আঁচনিসমূহৰ বিষয়েও আলোকপাত কৰে। তেওঁ লগতে কয় যে আয়ুষ্মান ভাৰতৰ জৰিয়তে দেশৰ দৰিদ্ৰ জনসাধাৰণে গুণগত চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে অসমৰ বিভিন্ন স্থানত থকা সশস্ত্ৰ সীমা বলৰ ১৮৬ টা কোৱাৰ্টাৰ, ১০ খন বিচনাযুক্ত হাস্পতাল আৰু প্ৰশাসনিক ভৱন ভাৰ্চুৱেলী শুভ উদ্বোধন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ লোকসকলৰ বাবে আয়ুষ্মান ভাৰত আঁচনি শুভাৰম্ভ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক ধন্যবাদ জ্ঞাপন কৰে। এই পদক্ষেপক ঐতিহাসিক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী জোৱানসকলে এতিয়াৰে পৰা কোনো ধৰণৰ উদ্বিগ্নতা নোহোৱাকৈ নিজৰ দায়িত্ব পালন কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আঁচনিখনৰ জৰিয়তে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ জোৱানসকলৰ পৰিয়ালেও গুণগত মানদণ্ডৰ চিকিৎসা লাভ কৰিবলৈ সক্ষম হ'ব। সংবিধানৰ ৩৭০ নং অনুচ্ছেদ বাতিল কৰাৰ বাবে প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়ে দেশক একতাৰ মাজেৰে শক্তিশালী ৰূপত আগুৱাই লৈ যাব।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় গৃহ ৰাজ্যিক মন্ত্ৰী নিত্যানন্দ ৰায়, ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, চি আৰ পি এফৰ সঞ্চালক প্ৰধান এ কে মহেশ্বৰীয়েও ভাষণ প্ৰদান কৰে।

**স্বাক্ষৰ / পুঃডেঃ**

**২৩/০১/২০২১**